# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 06-09 -2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

১। বি টি আৰৰ ৪০ টা সমষ্টিত ২২ ছেপ্তেম্বৰত হ'বলগীয়া নিৰ্বাচনৰ বাবে আজি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিনা ৩৪ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ।
২। জি এছ্ টিৰ সংস্কাৰে দেশৰ অৰ্থব্যৱস্থা টনকিয়াল কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ মন্তব্য।
৩। বিশ্ববন্দিত শিল্পী ড° ভূপেন হাজৰিকাৰ বছৰজোৰা জন্ম শতবাৰ্ষিকীৰ উদ্বোধনী অনুষ্ঠানৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ। শদিয়াৰ পৰা ধুবুৰীলৈ লুইতৰ বুকুৰেদি বিশেষ সংগীতময় যাত্ৰাৰ আয়োজন।
৪। মন্ত্ৰী পীযুষ হাজৰিকা আৰু কেশৱ মহন্তৰ দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ কোকৰাদাঙাত ব্ৰহ্মপুত্ৰৰ খহনীয়া পৰিদৰ্শন।

*আৰু*

৫। ২০২৪-২৫ খাৰিফ বিপণন বৰ্ষত ধান ক্ৰয়ৰ ক্ষেত্ৰত অসমৰ বৃহৎ সফলতা।

00000

বি টি আৰৰ ৪০ টা সমষ্টিত ২২ ছেপ্তেম্বৰত হ'বলগীয়া নিৰ্বাচনৰ বাবে আজি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিনা ৩১ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। ইয়াৰ আগেয়ে দুগৰাকী প্ৰাৰ্থীৰ মনোনয়ন নাকচ হৈছিল। এই নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। বিটিআৰৰ অন্তৰ্গত জিলাকেইখনত ৰাজনৈতিক দলসমূহে সভা, সমদলৰ জৰিয়তে ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে। বাক্সা জিলাৰ ককলাবাৰীত আজি বিজেপিৰ এখন যোগদান সভা অনুষ্ঠিত হয়। মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ উপস্থিতিত আজি কমেও ৫০ জন লোকে দলত যোগ দিয়ে। জিলাখনৰ মথনগুৰি পৰিষদীয় সমষ্টিৰ ঘোড়ামাৰাতো ইউ পি পি এলৰ এখন যোগদান সভা অনুষ্ঠিত হয়।

বাক্সা জিলাৰ দিহিৰা পৰিষদীয় সমষ্টিৰ অন্তৰ্গত অহোপাত আজি গণ সুৰক্ষা পাৰ্টীৰ এখন যোগদান সভা অনুষ্ঠিত হয়। এই সভাত বি পি এফ আৰু ইউ পি পি এল দলৰ কেইবাগৰাকীও সদস্যই দলটোত যোগ দিয়ে।

ইপিনে, বিটিচি নিৰ্বাচনত বিজেপিয়ে ৩০ খন আসন জয়ৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই প্ৰকাশ কৰিছে। এইবাৰ বিজেপিয়ে পৰিষদীয় নিৰ্বাচনত ৩০টা সমষ্টিত প্ৰাৰ্থী দিছে বুলি উল্লেখ কৰি তেওঁ কয়, যে এই নিৰ্বাচনত দলটোৱে চৰকাৰ গঠনৰ লক্ষ্যৰে আগবাঢ়িছে।

ৰাজ্য চৰকাৰে বিটিচি নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিটিচিৰ অন্তৰ্গত পাঁচখন জিলা- কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ আৰু ওডালগুৰি জিলাত অহা ২২ ছেপ্তেম্বৰৰ দিনটো নেগ'চিয়েবল ইনষ্ট্ৰুমেণ্টচ এক্টৰ অধীনত বন্ধৰ দিন হিচাপে ঘোষণা কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰৱৰ্তী প্ৰজন্মৰ সামগ্ৰী আৰু সেৱা কৰ জি এছ্ টিৰ সংস্কাৰেৰে মধ্যবিত্ত শ্ৰেণীৰ পৰিয়ালসমূহক সকাহ প্ৰদান কৰা বুলি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীবৈষ্ণৱে কয় যে জি এছ্ টিৰ সংস্কাৰে দেশৰ মুঠ ঘৰুৱা উৎপাদনত প্ৰায় ২০ লাখ কোটি টকাৰ সংযোজন কৰিব আৰু ইয়াৰ ফলত দেশত অৰ্থব্যৱস্থা অধিক টনকিয়াল হ'ব বুলি আশা কৰা হৈছে। শ্ৰীবৈষ্ণৱে কয় যে ২০১৪ চনৰ পূৰ্বে সাধাৰণ ৰাইজ জটিল কৰৰ বোজা বহন কৰিবলগীয়া হৈছিল। বৰ্তমান কৰ ব্যৱস্থা সৰল কৰা হৈছে আৰু জি এছ্ টি সংস্কাৰেৰে ইয়াক সুস্থিৰ কৰি তোলা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

জি এছ্ টি পৰিষদে অহা ২২ ছেপ্তেম্বৰৰ পৰা কাৰ্যকৰী হোৱাকৈ সাধাৰণ জনতা, কৃষক আৰু কৃষি, স্বাস্থ্য, শ্ৰমিক, উদ্যোগকে ধৰি অৰ্থনীতিক মূল খণ্ডসমূহত যুক্তিসংগত সংস্কাৰ সাধনৰ সিদ্ধান্ত লৈছে। সকলো ব্যক্তিগত জীৱন বীমা আঁচনি, স্বাস্থ্য বীমা আঁচনি তথা জ্যেষ্ঠ নাগৰিকৰ বাবে থকা আঁচনিসমূহত জি এছ্ টি উঠাই লোৱাৰ বাবে পৰিষদে অনুমোদন জনাইছে। তদুপৰি জীৱন দায়িনী ঔষধ, ৩৩ প্ৰকাৰৰ কৰ্কট ৰোগৰ ঔষধৰ উপৰি বিভিন্ন চিকিৎসা সামগ্ৰী এই কৰ মুক্ত কৰা হৈছে। এই সিদ্ধান্তসমূহক সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে আদৰণি জনাইছে। এই সিদ্ধান্তৰ ফলত দেশৰ বজাৰৰ ১৭৫ বিধ সামগ্ৰীৰ ওপৰত থকা কৰৰ পৰিমাণ হ্ৰাস পাব। জি এছ্ টি পৰিষদৰ সিদ্ধান্ত সম্পৰ্কত এগৰাকী সচেতন নাগৰিকে এইদৰে কয়।

বাইট

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত জি এছ্ টি হ্ৰাস সম্পৰ্কে সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ মতামত প্ৰচাৰ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

তদাৰকী আৰু দুৰ্নীতি নিবাৰণী সঞ্চালকালয়ে আজি গুৱাহাটীৰ হেঙেৰাবাৰীৰ স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ এগৰাকী কৰ্মচাৰীক উৎকোচ লোৱা অৱস্থাত হাতে-লোটে ধৰা পেলাই গ্ৰেপ্তাৰ কৰে। কৰ্মচাৰীজন সঞ্চালকালয়ৰ জ্যেষ্ঠ সহায়ক নৱজ্যোতি ডেকা বুলি প্ৰকাশ কৰা হৈছে। বকেয়া দৰমহাৰ বিল মোকলাই দিয়াৰ নামত ডেকাই এজন লোকৰ পৰা ১০ হাজাৰ টকা দাবী কৰিছিল। এই দাবী কৰা ধন উৎকোচ হিচাপে লওতে পূৰ্বৰে পৰা খাপ্ পিটি থকা দুৰ্নীতি নিবাৰণী সঞ্চালকালয়ৰ দলে তেওঁক গ্ৰেপ্তাৰ কৰে।

০০০০০

বিশ্ববন্দিত শিল্পী ড° ভূপেন হাজৰিকাৰ বছৰজোৰা জন্ম শতবাৰ্ষিকীৰ উদ্বোধনী অনুষ্ঠানৰ প্ৰস্তুতি চলি আছে। ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই সামাজিক মাধ্যমত প্ৰকাশ কৰা মতে, সুধাকণ্ঠৰ সংগীতৰ ছন্দত মহাবাহু ব্ৰহ্মপুত্ৰৰ দুয়োপাৰৰ জনগণৰ সুখ, দুখ, অনুভুতি জীৱনৰ বিচিত্ৰ দৃশ্য প্ৰতিফলিত হৈছিল। সেয়ে ভূপেন হাজৰিকাৰ স্মৃতিত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰালয়ৰ অধীনত ভাৰতীয় অন্তৰ্দেশীয় জলপথ প্ৰাধিকৰণৰ সৌজন্যত এটি বিশেষ যাত্ৰাৰ আয়োজন কৰা হৈছে। শদিয়াৰ পৰা ধুবুৰীলৈ যাবলগীয়া এই সংগীতময় যাত্ৰাই ডিব্ৰুগড়, তেজপুৰ, গুৱাহাটী আৰু যোগীঘোপা আদি ঠাই স্পৰ্শ কৰিব।

ইপিনে, সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীৰ উদ্বোধনী অনুষ্ঠানত ৰাজ্যৰ এহেজাৰ শিল্পীয়ে তেওঁৰ ১৪টা গীত আৰু কবিতা পৰিৱেশন কৰিব। এই অনুষ্ঠানতে শিল্পীগৰাকীৰ এটি স্মাৰক মুদ্ৰা আৰু এখন জীৱনী গ্ৰন্থও উন্মোচন কৰা হ'ব। এই উপলক্ষে অহা ১৩ ছেপ্টেম্বৰত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত হ'বলগীয়া উদ্বোধনী অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত থাকিব। পৰৱৰ্তী সময়ত কলকাতা, মুম্বাই, নতুন দিল্লী আৰু অৰুণাচল প্ৰদেশকে ধৰি দেশৰ ভিন ভিন স্থানত ডং ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ অনুষ্ঠান আয়োজন কৰা হ'ব। খানাপাৰাৰ অনুষ্ঠান উপভোগ কৰিবলৈ আগ্ৰহী লোকৰ বাবে ৰাজ্য চৰকাৰে এটা প'ৰ্টেল মুকলি কৰা হৈছে। ৮ ছেপ্টেম্বৰৰ নিশা ১২ বজাৰ ভিতৰত আগ্ৰহীসকলে এই প'ৰ্টেলত নিজৰ সবিশেষ দাখিল কৰি নাম পঞ্জীয়ন কৰিব পাৰিব।

ooooo

জল-সম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী কোকৰাদাঙাত ব্ৰহ্মপুত্ৰৰ খহনীয়া পৰিদৰ্শন কৰে। তেওঁ খহনীয়া প্ৰতিৰোধৰ বাবে চলি থকা মেগা টিউবৰ কাম-কাজৰ বুজ লোৱাৰ লগতে ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে গ্ৰহণ কৰা পদক্ষেপৰো বুজ লয়। ইপিনে, সমজিলা সম উন্নয়নৰ বাৰ্তা লৈ দুদিনীয়া ভ্ৰমণসূচীৰে মানকাচৰলৈ যোৱা ৰাজ্যৰ বিজ্ঞান প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তয়ো আজি অঞ্চলটোৰ খহনীয়া পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত এইদৰে উল্লেখ কৰে।

**-বাইট-**

উল্লেখযোগ্য যে, যোৱা প্ৰায় ডেৰ মাহ ধৰি অঞ্চলটোত খহনীয়াই ভাবুকিৰ সৃষ্টি কৰাৰ প্ৰতি লক্ষ্য ৰাখি যোৱা ২৪ আগষ্টত মন্ত্ৰী পীযুষ হাজৰিকাই অঞ্চলটোৰ ৫০০ মিটাৰ এলেকাত স্থায়ী খহনীয়া প্ৰতিৰোধৰ বাবে জিঅ' মেগাটিউবৰ কাম কৰিবলৈ নিৰ্দেশ দিছিল। আজি মন্ত্ৰী দুগৰাকীৰ এই ভ্ৰমণৰ সময়ত বিধায়ক আমিনুল ইছলাম, জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তা, জল সম্পদ বিভাগৰ বিষয়া-কৰ্মচাৰী, ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ বিষয়ববীয়াসকল উপস্থিত আছিল।

ooooo

কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে দেশৰ জনজাতীয় লোকসকলৰ জীৱন-ধাৰণৰ সামগ্ৰিক মান উন্নত কৰাৰ বাবে আৰম্ভ কৰা আদি কৰ্মযোগী অভিযান সন্দৰ্ভত আজি গোৱালপাৰা জিলা প্ৰশাসনে এখন সভা অনুষ্ঠিত কৰে। জিলা উন্নয়ন আয়ুক্ত ৰঞ্জিত কোঁৱৰৰ অধ্যক্ষতাত অনুষ্ঠিত সভাত এই অভিযানে সামৰি লোৱা এলেকাসমূহত কেনেধৰণৰ উন্নয়নমূলক কাৰ্য্য কৰা হ'ব, সেই বিষয়ে আলোচনা কৰা হয়। এই অভিযানক জিলাখনৰ তৃণমূল পৰ্য্যায়লৈ লৈ যোৱাৰ বাবে মুখ্য প্ৰশিক্ষকসকলৰ প্ৰশিক্ষণ ইতিমধ্যে সম্পন্ন হৈছে। অহা ৮, ৯ আৰু ১০ ছেপ্টেম্বৰত জিলাখনৰ ছটা উন্নয়ন খণ্ডৰ ৩০ গৰাকী প্ৰশিক্ষকক প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে, এই অভিযানৰ অধীনত দেশৰ অন্যান্য জিলাৰ লগতে গোৱালপাৰা জিলাৰ জনজাতীয় এলেকাত শিক্ষা, স্বাস্থ্য, পথ যোগাযোগ, পানী যোগান, বিত্তীয় লেন-দেন আদি উন্নীতকৰণত সহায় কৰা হ'ব।

ooooo

অসমে ২০২৪-২৫ খাৰিফ বিপণন বৰ্ষত ধান ক্ৰয়ৰ ক্ষেত্ৰত উল্লেখনীয় সফলতা অৰ্জন কৰিছে। ৰাজ্যত ৫ ছেপ্টেম্বৰলৈকে ন্যূনতম সমৰ্থন মূল্যত মুঠ ৮ লাখ মেট্ৰিক টনৰো অধিক ধান ক্ৰয় কৰা হৈছে। ইয়াৰে ভিতৰত প্ৰথম

ফচল হিচাপে ৬ লাখ ৯৭ হাজাৰৰো অধিক আৰু দ্বিতীয় ফচল হিচাপে ১ লাখ ৪ হাজাৰৰো অধিক ধান ক্ৰয় কৰা হৈছে। ৰাজ্যখনে প্ৰথমবাৰৰ বাবে ধান ক্ৰয়ৰ ক্ষেত্ৰত ৮ লাখ মেট্ৰিক টনৰ সীমা অতিক্ৰম কৰি নতুন অভিলেখ গঢ়িছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৪ ছেপ্তেম্বৰত গোলাঘাট জিলাৰ নুমলীগড়ত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। নুমলিগড় শোধনাগাৰ কৰ্তৃপক্ষৰ লগতে গোলাঘাট প্ৰশাসনে প্ৰধানমন্ত্ৰীগৰাকীৰ আগমনক লৈ ব্যাপক প্ৰস্তুতি চলাইছে। গোলাঘাট জিলাৰ অভিভাৱক মন্ত্ৰী ৰূপেশ গোৱালাই এই প্ৰস্তুতিৰ বুজ লয়। মন্ত্ৰীগৰাকীৰ লগতে অসম পৰ্যটন উন্নয়ন বোৰ্ডৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, প্ৰাক্তন সাংসদ তপন গগৈ, অসম আৰক্ষীৰ আইন শৃংখলা শাখাৰ মহা পৰিদৰ্শক অখিলেশ কুমাৰ সিং, গোলাঘাট জিলা আৰক্ষী অধীক্ষক ৰাজেন সিঙকে ধৰি জিলা প্ৰশাসনৰ বিষয়াসকল উপস্থিত থাকে। মন্ত্ৰী শ্ৰীগোৱালাই কয়, যে এই প্ৰকল্পই বাহ খেতিয়কসকলক লাভান্বিত কৰাৰ লগতে গ্ৰাম্য অৰ্থনীতি অধিক শক্তিশালী কৰিব। উল্লেখযোগ্য যে নুমলীগড় শোধানাগাৰৰ ৫০ শতাংশ অংশীদাৰিত্বৰে এই প্ৰকল্পটো নিৰ্মাণ কৰা হৈছে। ইয়াৰ পৰা প্ৰতি বছৰে ৫০ হাজাৰ টন ইথানল, ১৮ হাজাৰ টন ফাৰ্ফিউৰেল আৰু ১১ হাজাৰ টন এচিটিক এছিড উৎপাদন কৰা হ'ব। অৱশিষ্ট লীগনিনৰ পৰা ২৫ মেগাৱাট বিদ্যুৎ উৎপাদন কৰিব পৰা যাব বুলি জৈৱ ইথানল প্ৰকল্পৰ পৰিচালন সঞ্চালক ভাস্কৰ জ্যোতি ফুকনে ইতিমধ্যে জানিবলৈ দিছে। ইয়াৰ লগতে তৰল কাৰ্বন ডাই অক্সাইড উৎপাদন কৰা হ'ব। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী মোদীয়ে এই প্ৰকল্প উদ্বোধন কৰাৰ লগতে নুমলীগড় শোধানাগাৰত নিৰ্মাণ হ'ব লগা প'লিপ্ৰ'পিলিন ইউনিটৰো আধাৰশিলা স্থাপন কৰিব।

ooooo

প্ৰাগজ্যোতিষপুৰ চিকিৎসালয় মহাবিদ্যালয় হাস্পতালৰ উদ্যোগত ৰাষ্ট্ৰীয় অন্ধতা নিবাৰণী কাৰ্যসূচীৰ অধীনত নেত্ৰ দান পষেক উপলক্ষে আজি এখন সজাগতা সভা অনুষ্ঠিত হয়। এই কাৰ্যসূচীত মহাবিদ্যালয়খনৰ অধ্যক্ষ ডাঃ বসন্ত কুমাৰ বৈশ্য, অধীক্ষক ডাঃ পূৰ্ণিমা বৰা, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ ৰাজ্যিক কৰ্মসূচী বিষয়া ভাৰতী বৰকটকী, মহাবিদ্যালয়খনৰ চকু ৰোগ বিভাগৰ মুৰববী অধ্যাপক ডাঃ জ্যোতি ভূঞা প্ৰমুখ্য বহুসংখ্যক চিকিৎসক, নাৰ্চ, ৰোগী আৰু তেওঁলোকৰ আত্মীয়ই অংশগ্ৰহণ কৰে। সভাত চকু দানৰ লক্ষ্য আৰু উদ্দেশ্য ব্যাখ্যা কৰি নেত্ৰদানৰ বিষয়ে সজাগ হ'বলৈ সকলোকে আহ্বান জনোৱা হয়। অনুষ্ঠান সন্দৰ্ভত মহাবিদ্যালয়খনৰ চকু ৰোগ বিভাগৰ মুৰববী অধ্যাপক ডাঃ জ্যোতি ভূঞাই এইদৰে কয়ঃ

বাইট

ooooo

মৰিগাওঁ জিলাৰ আয়ুক্তৰ কাৰ্যালয় সভাকক্ষত আজি জিলা উন্নয়ন সমন্বয় আৰু পৰ্যবেক্ষণ সমিতি DISHA ৰ উদ্যোগত এখন সভা অনুষ্ঠিত হয়। স্থানীয় সাংসদ প্ৰদ্যুৎ বৰদলৈৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত জিলাখনৰ বিভিন্ন চৰকাৰী আঁচনি আৰু পৰিকল্পনাৰ অগ্ৰগতি সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। এই সভাতে বিভিন্ন বিভাগৰ মুৰববীসকলে নিজৰ দায়িত্বত থকা আঁচনিৰ অগ্ৰগতিৰ প্ৰতিবেদন দাখিল কৰে। পৰ্যালোচনা সভাখনত জিলাখনৰ আয়ুক্তকে ধৰি মৰিগাওঁ জিলা পৰিষদৰ সভানেত্ৰী, মুখ্য কাৰ্যবাহী বিষয়া, জিলা উন্নয়ন আয়ুক্ত, অতিৰিক্ত আয়ুক্ত, খণ্ড উন্নয়ন বিষয়াসকলৰ লগতে বিভিন্ন বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত আছিল।

০০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োঁতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসমীয়াত অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কীয় ১ মিনিটৰ বাতৰিৰ অ'ডিঅ' মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি ২৪ ছেপ্তেম্বৰৰ পূৰ্বে এম-পি থ্ৰী ৰূপত হোৱাট্‌ছএপযোগে পঠিয়াব লাগিব। হোৱাট্‌ছএপ নম্বৰকে ধৰি প্ৰতিযোগিতাৰ সবিশেষ জানিবলৈ ইচ্ছুক প্ৰতিযোগীয়ে আমাৰ ফেচবুক পেজ এ আই আৰ নিউজ গুৱাহাটী চাব পাৰে।

০০০০০

সমাপ্ত